# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি আয়োজিত 'স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পন' শীৰ্ষক কাৰ্যসূচী কালি বিভিন্ন জিলাত শুভাৰম্ভ কৰা হয়। **গুৱাহাটী**ৰ বশিষ্ঠ মন্দিৰ প্ৰাংগণত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। **শোণিতপুৰ** জিলাতো কালি সপ্তাহজোৰা কাৰ্যসূচীৰ অংশ হিচাপে দুটা ৰক্তদান শিবিৰ মুকলি কৰা হয়। কনকলতা অসামৰিক চিকিৎসালয়ৰ ৰক্তকেন্দ্ৰৰ উদ্যোগত আৰু স্থানীয় সংগঠনৰ সহযোগত এই শিবিৰ অনুষ্ঠিত হয়। ঢেকীয়াজুলিৰ ছহিদ স্মাৰক উদ্যানত তেজপুৰ চিকিৎসা মহাবিদ্যালয় ৰক্তকেন্দ্ৰ আৰু কেইবাটাও সংগঠনৰ উদ্যোগত দ্বিতীয়টো শিবিৰ মুকলি কৰা হয়। একেদৰে প্ৰধানমন্ত্ৰী মোদীয়ে কালি মধ্য প্ৰদেশত উদ্বোধন কৰা সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ অংশ হিচাপে কালি জিলাখনত অষ্টম পোষণ মাহৰ জিলা পৰ্যায়ৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই কাৰ্যসূচীসমূহত জিলা প্ৰশাসনৰ বিষয়ববীয়া, স্বাস্থ্য বিভাগৰ সংশ্লিষ্ট বিষয়াৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

সেৱা সপ্তাহৰ অংশ হিচাপে কালি **ধেমাজি**ৰ চিচিবৰগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আয়োজিত ৰক্তদান শিবিৰত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকে।

**স্বাস্থ্যৱান নাৰী, শক্তিশালী পৰিয়াল** শীৰ্ষক অভিযান উপলক্ষে বঙাইগাঁৱত অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই অভিযানৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত কালি ডিব্ৰুগড় জিলাৰ বকপাৰাত **সুস্থ নাৰী, শক্তিশালী পৰিয়াল** অভিযান উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জিলা সমাজ কল্যাণ বিভাগৰ তৰফৰ পৰা বিভাগৰ বিভিন্ন আঁচনি আৰু কাম-কাজ প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগতে পোষণ অভিযানৰ অন্তৰ্গত পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিভিন্ন পৰিপুষ্টিমূলক খাদ্য প্ৰদৰ্শন কৰাৰ লগতে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীসকলৰ পঞ্জীয়নো কৰা হয়। সাংবাদিকৰ আগত শ্ৰী সোণোৱালে এইদৰে কয় -

**-- ভইচ --**

লখিমপুৰতো কালি সেৱা সপ্তাহ উপলক্ষে ৰক্তদান শিবিৰ মুকলি কৰা হয়। জিলাখনৰ দুই নম্বৰ চিনাতলীয়া চাহ বাগিচা আৰু বিহপুৰীয়া সামুহিক স্বাস্থ্য কেন্দ্ৰত এই স্বেচ্ছামূলক ৰক্তদান শিবিৰ মুকলি কৰা হয়। **কাৰ্বি আংলং** জিলাৰ বোকাজানত কালি আয়োজিত স্বাস্থ্য শিবিৰত ২৩ গৰাকী ব্যক্তিয়ে স্বেচ্ছাই ৰক্তদান কৰে।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱৰ কুমাৰগাঁৱত পোহনীয়া হাতীৰ আক্ৰমণত কালি এজন লোকৰ মৃত্যু হোৱাৰ লগতে মাউতসহ দুজন লোক আহত হয়। আহত এজনক সংকটজনক অৱস্থাত যোৰহাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। হাতীৰ আক্ৰমণত মৃত্যু হোৱা লোকজন দেৰগাঁৱৰ মলাইকুমাৰ গাঁৱৰ কেশৱ বৰা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি শ্ৰীদাসে শীঘ্ৰে ছিউলত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

১৯৯৯ চনৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসম সন্তান গৌৰাংগ লাল দাসে ইয়াৰ আগতে কেইবাখনো বিদেশী ৰাষ্ট্ৰত কূটনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চীনা আৰু কম্বোডিয়ান ভাষাকে ধৰি কেইবাটাও বিদেশী ভাষাত ব্যুৎপত্তি থকা গৌৰাংগ লাল দাসে যোৱা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিন পিনৰ মাজৰ শীৰ্ষ বৈঠকত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডুৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ২১৪ আৰু তামিলনাডুলৈ ১২৭ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। এই ধনৰাশি অনাময় আৰু মুকলিত মলত্যাগ অভ্যাসৰ বিলুপ্তি, ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনা আৰু পুনৰ ব্যৱহাৰ, খোৱাপানী যোগান, বৰষুণৰ পানীৰ সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰৰ দৰে বুনিয়াদী সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

০০০০০০

যোৰহাট জিলাত অৱস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ গৱেষণা উপদেষ্টা গোটৰ ২৭ সংখ্যক বৈঠকখন কালি অনুষ্ঠিত হয়। হাইব্ৰীড পদ্ধতিৰে অনুষ্ঠিত এই সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ ৰমেন্দ্ৰ নাথ শৰ্মা, কেন্দ্ৰীয় মুগা এৰী গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ কাৰ্তিক নেওগ, **চি এছ আই আৰ**-নেইষ্টৰ বিজ্ঞানী ড০ অৰ্চনা মণি দাসকে ধৰি বহুকেইজন বিশিষ্ট বিজ্ঞানী আৰু জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। সভাত ভিন্ন বিষয়ৰ মুঠ ৭টা নতুন গৱেষণা প্ৰকল্প উপস্থাপন কৰা হয়। এই প্ৰকল্পসমূহৰ ওপৰত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। এই প্ৰকল্পসমূহ পৰৱৰ্তী পৰ্যায়ত ডেৰাডুনত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত বাছনি সমিতিৰ বৈঠকত উপস্থাপন কৰা হ'ব।

উল্লেখযোগ্য যে কালিৰ সভাত অৰুণাচল প্ৰদেশৰ প্ৰধান মুখ্য বন সংৰক্ষক পি সুব্ৰমনিয়ম, মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বিবেক বৈষ্ণৱকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ বিজ্ঞানীয়ে ভাৰ্চুৱেলভাৱে প্ৰতিনিধিত্ব কৰে।

০০০০০০

সমাপ্ত